*Total number of printed pages–7*

**63/1 (SEM-6) DSE1B/ASMRE6026**

**2024**

# ASSAMESE

Paper : ASMRE6026

***(Assamese Short Story and Novel)***

*Full Marks : 80*

*Pass Marks : 32*

Time : Three hours

***The figures in the margin indicate full marks for the questions.***

১। তলত দিয়া *যিকোনো ছয়টা* প্ৰশ্নৰ শুদ্ধ উত্তৰটো বাছি উলিওৱা ঃ ১×৬=৬

(ক) 'চুটিগল্প' শব্দটোৰ প্ৰচলন আৰম্ভ হয়

*(i)* সপ্তদশ শতিকাৰ পৰা

*(ii)* অষ্টাদশ শতিকাৰ পৰা

*(iii)* ঊনবিংশ শতিকাৰ পৰা

*(iv)* বিংশ শতিকাৰ পৰা

*Contd.*

(খ) ‘সাধুকথাৰ কুঁকি’ নামৰ চুটিগল্প গ্ৰন্থখনৰ ৰচক হ’ল

(i) ত্ৰৈলোক্যনাথ গোস্বামী

(ii) চৈয়দ আব্দুল মালিক

(iii) লক্ষ্মীনাথ বেজবৰুৱা

(iv) যোগেশ দাস

(গ) লক্ষ্মীধৰ শৰ্মা হ’ল

(i) আৱাহন যুগৰ লেখক

(ii) ৰামধেনু যুগৰ লেখক

(iii) জোনাকী যুগৰ লেখক

(iv) আধুনিক যুগৰ লেখক

(ঘ) ‘ৰামধেনু’ যুগৰ এগৰাকী গল্পকাৰ হ’ল

(i) লক্ষ্মীনাথ বেজবৰুৱা

(ii) বীৰেন্দ্ৰ কুমাৰ ভট্টাচাৰ্য

(iii) মনোজ কুমাৰ গোস্বামী

(iv) শীলভদ্ৰ

(ঙ) মামণি ৰয়ছম গোস্বামীৰ চুটিগল্পটিৰ নাম

(i) ভদৰী

(ii) ৰিণিকি ৰিণিকি দেখিছোঁ যমুনা

(iii) কবি-গঙ্গা

(iv) মাকনৰ গোসাঁই



(চ) ‘ব্যৰ্থতাৰ দান’ এটি

(i) লক্ষ্মীধৰ শৰ্মাৰ চুটিগল্পৰ নাম

(ii) বীৰেন্দ্ৰ কুমাৰ ভট্টাচাৰ্যৰ চুটিগল্পৰ নাম

(iii) সৌৰভ কুমাৰ চলিহাৰ চুটিগল্পৰ নাম

(iv) মণিকুন্তলা ভট্টাচাৰ্যৰ চুটিগল্পৰ নাম

(ছ) ‘অসমীয়া স্কট’ নামেৰে জনাজাত উপন্যাসিকগৰাকী হ’ল

(i) হেমচন্দ্ৰ বৰুৱা

(ii) গুণাভিৰাম বৰুৱা

(iii) ৰজনীকান্ত বৰদলৈ

(iv) বীৰেন্দ্ৰ কুমাৰ ভট্টাচাৰ্য

(জ) মামণি ৰয়ছম গোস্বামীৰ প্ৰকৃত নাম

(i) ইন্দিৰা গোস্বামী

(ii) ইন্দিৰা মিৰি

(iii) ত্ৰৈলোক্যনাথ গোস্বামী

(iv) শৰৎচন্দ্ৰ গোস্বামী

(ঝ) অৰূপা পটঙ্গীয়া কলিতাৰ এখন উপন্যাসৰ নাম

(i) অয়নান্ত

(ii) পিতাপুত্ৰ

(iii) নীলকণ্ঠী ব্ৰজ

(iv) অন্তৰীপ

(ঞ) 'মৰমৰ দেউতা' উপন্যাসখনৰ ৰচক

*(i)* হোমেন বৰগোহাঞি

*(ii)* ভবেন্দ্ৰনাথ শইকীয়া

*(iii)* লক্ষ্মীনন্দন বৰা

*(iv)* যোগেশ দাস

২। তলৰ *যিকোনো পাঁচটা* প্ৰশ্নৰ চমুকৈ উত্তৰ লিখা ঃ

২×৫=১০

(ক) 'আৱাহন' যুগৰ চুটিগল্পৰ *দুটি* বৈশিষ্ট্য উল্লেখ কৰা।

(খ) 'সুৰভি' আৰু 'সাধুকথাৰ কুঁকি' কি বিষয়ক গ্ৰন্থ? গ্ৰন্থ দুখনৰ গ্ৰন্থকাৰ কোন?

(গ) শৰৎচন্দ্ৰ গোস্বামীৰ *দুখন* গল্পপুথিৰ নাম লিখা।

(ঘ) 'আৱাহন' যুগৰ *দুগৰাকী* গল্পকাৰৰ নাম লিখা।

(ঙ) 'অন্তৰীপ' উপন্যাসখনৰ *দুটি* চৰিত্ৰৰ নামোল্লেখ কৰা।

(চ) 'ব্যৰ্থতাৰ দান' চুটিগল্পৰ *দুটি* চৰিত্ৰৰ নামোল্লেখ কৰা।

(ছ) মামণি ৰয়ছম গোস্বামীয়ে কোন চনত কি গ্ৰন্থৰ বাবে সাহিত্য অকাডেমী বঁটা লাভ কৰিছিল?



৩। তলত দিয়া *যিকোনো ছয়টা* প্ৰশ্নৰ উত্তৰ লিখা ঃ

৫×৬=৩০

(ক) "গল্পটোৰ মুখ্য লক্ষ্য হৈছে নাৰীৰ প্ৰেমৰ সম্পৰ্কত মৌলিক প্ৰবৃত্তিৰ তাড়না আৰু নাৰীৰ হৃদয়বৃত্তিক পোহৰলৈ অনা" —'ব্যৰ্থতাৰ দান' গল্প সম্পৰ্কে কৰা এই মন্তব্যটোৰ যথাৰ্থতা প্ৰতিপন্ন কৰা।

(খ) 'আৱাহন'ৰ পাতত আত্মপ্ৰকাশ কৰা চুটিগল্পকাৰসকলৰ বিষয়ে এটি পৰিচয়মূলক আলোচনা আগবঢ়োৱা।

(গ) মেনকাই বঞ্চনাৰ প্ৰতিবাদ কাৰ ওপৰত, কিদৰে ল'লে, 'অন্তৰীপ' উপন্যাসৰ আধাৰত চমুকৈ লিখা।

(ঘ) বুৰঞ্জীমূলক উপন্যাসৰ লক্ষণসমূহ কি কি লিখা।

(ঙ) উপন্যাসৰ বিভিন্ন প্ৰকাৰসমূহৰ আলোচনা যুগুত কৰা।

(চ) চুটিগল্পত পৰিবেশ সৃষ্টিৰ বাবে চুটিগল্প লেখকে কেনেধৰণৰ কৌশল অৱলম্বন কৰে লিখা।

(ছ) আধুনিক অসমীয়া চুটিগল্পৰ বিকাশৰ ধাৰা সম্বন্ধে এটি প্ৰবন্ধ যুগুত কৰা।

(জ) অসমীয়া চুটিগল্পৰ বিকাশত 'আৱাহন' কাকতৰ ভূমিকা কি বুলি ভাবা লিখা।

(ঝ) লক্ষ্মীনাথ বেজবৰুৱাৰ সাহিত্যকৃতি সম্বন্ধে লিখা।

(ঞ) অন্নপ্ৰাশনৰ অনুষ্ঠানটোৰ মাজতে ৰাজপত্ৰিত বিষয়াৰ ছোৱালীজনী কাৰ সৈতে ক'লৈ গৈ কি অভিজ্ঞতা অৰ্জন কৰিছিল, 'কবিগঙ্গা' গল্পৰ সহায়ত লিখা।

৪। তলৰ *যিকোনো দুটা* প্ৰশ্নৰ উত্তৰ লিখা ঃ ১০×২=২০

(ক) 'জোনাকী' আলোচনী প্ৰকাশৰ পটভূমি সম্পৰ্কে লিখি জোনাকী যুগৰ সাহিত্য সম্পৰ্কে লিখা।

(খ) " 'ফেল্লানী' মানুহৰ দ্বাৰা পৰিত্যক্ত, প্ৰকৃতিৰ বুকুত আশ্ৰিতা আৰু প্ৰকৃতিৰ বুকুৰ গাখীৰ খাই পুৰুষৰ বিৰুদ্ধে জেহাদ ঘোষণা কৰা অসমীয়া উপন্যাসৰ প্ৰথমটো নাৰী চৰিত্ৰ" —কথাষাৰ বুজাই লিখা।

(গ) ৰামধেনু যুগৰ গল্পৰ বিশেষত্ববোৰ কি কি চমুকৈ লিখি 'মাকনৰ গোসাঁই' চুটিগল্পটিৰ এটি আলোচনা দাঙি ধৰা।

(ঘ) মেনকা চৰিত্ৰৰ জৰিয়তে নাৰীৰ মনস্তত্ত্বৰ দিশবোৰ আলোচনা কৰা।

৫। তলৰ *যিকোনো এটা* প্ৰশ্নৰ উত্তৰ লিখা ঃ ১৪

(ক) প্ৰাক্-স্বাধীনতা কালৰ অসমীয়া আলোচনীৰ এটা চমু ইতিহাস দাঙি ধৰা। ইয়াৰে কোনখন আলোচনীয়ে চুটিগল্পৰ বিকাশত বিশেষভাৱে বৰঙনি যোগাইছিল বুলি তুমি ভাবা, বুজাই লিখা।



(খ) অসমীয়া উপন্যাসৰ উদ্ভৱ আৰু বিকাশৰ ধাৰা সম্পৰ্কে এটি আলোচনা যুগুত কৰা।

(গ) অসমীয়া উপন্যাসত নাৰীবাদ আৰু নাৰীভাবনা সম্পৰ্কে লিখা।

———